**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 23-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কালি নিৰাপত্তা বিষয়ক এখন কেবিনেট সমিতিৰ বৈঠক অনুষ্ঠিত হয়।

২। কেন্দ্ৰীয় বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি লোকসভাত কৰ্প'ৰেট আইন সংশোধনী বিধয়ক ২০২৬ উত্থাপন কৰিব।

৩। অসম, কেৰালাম আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰানৰ শক্তি প্ৰকল্পসমূহত আক্ৰমণ কৰিলে ইৰানে কৌশলগতভাৱে গুৰুত্বপূৰ্ণ হৰমুজ প্ৰণালী সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়াৰ ভাবুকি প্ৰদান কৰিছে। *আৰু*

৫। স্পেনিছ পেৰা বেডমিণ্টন প্ৰতিযোগিতাৰ দ্বিতীয় পৰ্যায়ত ভাৰতৰ প্ৰমোদ ভগত আৰু সুকান্ত কদমে মুঠ ৩টা সোণৰ পদক লাভ কৰিছে।

০০০০০

পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰ্যালোচনা তথা এই সংঘাতৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সন্দৰ্ভত নিৰাপত্তা বিষয়ক এখন কেবিনেট সমিতিৰ বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি অধ্যক্ষতা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এই সংঘাতে বিশ্বৰ বিভিন্ন প্ৰান্তত প্ৰভাৱ পেলাইছে। এনে পৰিস্থিতিত নাগৰিকসকলক সুৰক্ষা দিবলৈ প্ৰচেষ্টা চলাব লাগিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে ৰাজ্য চৰকাৰসমূহক কেন্দ্ৰীয় চৰকাৰৰ সৈতে সমন্বয় ৰক্ষা কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে চৰকাৰী দৃষ্টিভংগীৰে কাম কৰিবলৈ মন্ত্ৰী আৰু সচিবসকলক লৈ এটা গোট গঠন কৰিবলৈ নিৰ্দেশ দিয়ে। লগতে এই গোটক অংশীদাৰসকলৰ সৈতে আলোচনা কৰি কাম কৰিবলৈ আহ্বান জনায়। বৈঠকৰ সময়ত কেবিনেট সচিব টি ভি সোমনাথনে সাম্প্ৰতিক বিশ্বৰ পৰিস্থিতি আৰু বিভিন্ন মন্ত্ৰালয়ে এই পৰ্যন্ত গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে বিশদভাৱে উপস্থাপন কৰে। কৃষি, সাৰ, খাদ্য সুৰক্ষা, পেট্ৰ'লিয়াম, শক্তি, বাণিজ্য, বিত্ত, যোগান শৃংখলা আৰু সকলো ধৰণৰ ক্ষতিগ্ৰস্ত খণ্ডৰ উন্নয়নৰ বাবেও বৈঠকত আলোচনা কৰা হয়।

০০০০০

কেন্দ্ৰীয় বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি লোকসভাত কৰ্প'ৰেট আইন সংশোধনী বিধয়ক ২০২৬ উত্থাপন কৰিব। এই বিধেয়কখনে সীমিত দায়বদ্ধতা অংশীদাৰিত্ব আইন ২০০৮ আৰু কোম্পানী আইন ২০১৩ৰ সংশোধন কৰিব। তদুপৰি লোকসভাত আজি বিত্ত বিধায়ক ২০২৬ সন্দৰ্ভতো আলোচনা কৰা হ'ব। এই বিধেয়কখনে ২০২৬-২৭ বিত্ত বৰ্ষৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় প্ৰস্তাৱক

কাৰ্যকৰী কৰাৰ দিশসমূহ প্ৰস্তাৱ কৰিছে। ৰাজ্যসভাত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী সাধাৰণ প্ৰশাসন বিধেয়ক ২০২৬ উত্থাপন কৰিব।

০০০০০

অসম, কেৰালাম আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। অহা ৯ এপ্ৰিলত দুয়োখন ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলটোত একেটা পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব। কাইলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। অহা ২৬ মাৰ্চ হৈছে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তিম দিন। তামিলনাডুত অহা ২৩ এপ্ৰিলত একেটা পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব। পশ্চিমবংগত অহা ২৩ আৰু ২৯ এপ্ৰিলত দুটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। পশ্চিমবংগৰ প্ৰথম পৰ্যায় তথা তামিলনাডুৰ নিৰ্বাচনৰ অধিসূচনা অহা ৩০ মাৰ্চত জাৰি কৰা হ'ব। পশ্চিমবংগৰ দ্বিতীয় পৰ্যায়ৰ বাবে অহা ২ এপ্ৰিলত অধিসূচনা জাৰি কৰা হ'ব। চাৰিওখন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলটোত অহা ৪ মে'ত ভোটগণনা কৰা হ'ব। উল্লেখযোগ্য যে, ১২৬ জনীয়া অসম বিধানসভাৰ কাৰ্যকাল অহা ২০ মে'ত আৰু ১৪০ জনীয়া কেৰালাম বিধানসভাৰ কাৰ্যকাল অহা ২৩ মে'ত অন্ত পৰিব। পুডুচেৰীৰ ৩০ জনীয়া বিধানসভাৰ কাৰ্যকাল অহা ১৫ জুনত অন্ত পৰিব। আনহাতে তামিলনাডুৰ ২৩৪ জনীয়া বিধানসভাৰ কাৰ্যকাল অহা ১০ মে'ত আৰু পশ্চিমবংগৰ ২৯৪ জনীয়া বিধানসভাৰ কাৰ্যকাল অহা ৭ মে'ত অন্ত পৰিব।

০০০০০

বিধানসভা নিৰ্বাচনৰ মনোনয়ন দাখিলৰ আজি অন্তিম দিনা অসমত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকল মনোনয়ন পত্ৰ দাখিলৰ বাবে সাজু হৈছে। কামৰূপ মহানগৰ জিলাৰ ৫টা বিধানসভা সমষ্টিৰ বাবে আজি বিভিন্ন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব। বিজেপিৰ দিছপুৰ সমষ্টিৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈ, মধ্য গুৱাহাটীৰ প্ৰাৰ্থী বিজয় গুপ্তা, নিউ গুৱাহাটীৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মা আৰু মিত্ৰদল এ জি পিৰ ডিমৰীয়া সমষ্টিৰ প্ৰাৰ্থী ড° তপন দাসে মনোনয়ন পত্ৰ দাখিল কৰিব। ইপিনে, দিছপুৰ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰ, নিউ গুৱাহাটীৰ প্ৰাৰ্থী শান্তনু বৰা, ডিমৰীয়াৰ প্ৰাৰ্থী কিশোৰ কুমাৰ বৰুৱা, জালুকবাৰীৰ প্ৰাৰ্থী বিদিশা নেওগ তথা এ জে পিৰ মধ্য গুৱাহাটীৰ প্ৰাৰ্থী কুংকী চৌধুৰীয়ে মনোনয়ন দাখিল কৰিব।

ৰাজ্যখনত বিধাসনভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযানো আৰম্ভ হৈছে। বিজেপিয়ে কাইলৈ আনুষ্ঠানিকভাৱে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিব। দলটোৱে প্ৰায় ৪০ জন তাৰকা প্ৰচাৰকক লৈ প্ৰচাৰ অভিযান চলাব বুলি অসম ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই সাংবাদিকৰ আগত প্ৰকাশ কৰিছে। তেওঁলোকৰ ভিতৰত জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী থাকিব বুলি শ্ৰীশইকীয়াই জানিবলৈ দিয়ে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা যোৰহাট বিধানসভা সমষ্টিৰ মনোনীত প্ৰাৰ্থী গৌৰৱ গগৈয়ে কালি জিলাখনৰ হুলুঙাপাৰ অঞ্চলত প্ৰচাৰ অভিযানত অংশ লয়। শ্ৰীগগৈয়ে কেইবাটাও নামঘৰত আশীষ লোৱাৰ লগতে অঞ্চলটোৰ লোকসকলৰ সৈতে মত-বিনিময় কৰে। কংগ্ৰেছ দলে কালি পঞ্চমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰানৰ শক্তি প্ৰকল্পসমূহত আক্ৰমণ কৰিলে ইৰানে কৌশলগতভাৱে গুৰুত্বপূৰ্ণ হৰমুজ প্ৰণালী সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়াৰ ভাবুকি প্ৰদান কৰিছে। ইৰানৰ ইছলামিক ৰিভ'লিউচনাৰী গাৰ্ড

ক'ৰ্ছ- আই আৰ জি চিয়ে এটা বিবৃতিত প্ৰকাশ কৰে যে দেশখনৰ ধবংসপ্ৰাপ্ত শক্তিপ্ৰকল্পসমূহ পুনৰ নিৰ্মাণ নকৰা পৰ্যন্ত হৰমুজ প্ৰণালী সম্পূৰ্ণৰূপে বন্ধ ৰখা হ'ব। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ৪৮ ঘণ্টাৰ ভিতৰত ইৰানে হৰমুজ প্ৰণালী খুলি নিদিলে আমেৰিকাই ইৰানৰ  সৰ্ববৃহৎ শক্তি প্ৰকল্পৰ পৰা আৰম্ভ কৰি আন কেতবোৰ প্ৰকল্পত আক্ৰমণ কৰিব বুলি ভাবুকি দিয়াৰ পাছতে আই আৰ জি চিয়ে এই বিবৃতি প্ৰকাশ কৰে।

০০০০০

ইৰানৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ানে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ এটা বিবৃতিক সমালোচনা কৰি কয়, যে ইৰানৰ মানচিত্ৰ মোহাৰি দিয়াৰ ভ্ৰমে প্ৰকৃততে ট্ৰাম্পৰ হতাশাকেই প্ৰতিফলিত কৰে। ৰাষ্ট্ৰপতি পেজেস্কিয়ানে উল্লেখ কৰে যে ইৰানৰ শত্ৰু দেশৰ বাহিৰে আন সকলো দেশৰ বাবে হৰমুজ প্ৰণালী খোলা আছে। ইৰানৰ বিদেশমন্ত্ৰী ছৈয়দ আববাছ আৰঘচিয়ে কয়, যে বাণিজ্যৰ স্বতন্ত্ৰতাৰ অবিহনে নৌ পৰিবহণৰ স্বাধীনতা সম্ভৱ নহয় আৰু সেইবাবেই হৰমুজ প্ৰণালী খোলা ৰখা হৈছে। ইৰানৰ সংসদৰ অধ্যক্ষ এম বি ঘালিবাফে কয়, যে আমেৰিকাৰ সেনাবাহিনীৰ বাজেটৰ বাবে বিত্তীয় যোগান ধৰা সংস্থাসমূহক ইৰানে লক্ষ্য কৰি ল'ব। ইপিনে আমেৰিকাৰ বিত্ত সচিব স্কট বেছেণ্টে ইৰানৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে আমেৰিকাৰ সেনাবাহিনীৰ ওচৰত এতিয়াও যথেষ্ট অস্ত্ৰ-শস্ত্ৰ মজুত আছে বুলি প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে আজি গুৰুত্বপূৰ্ণ আৰু কৌশলগত খনিজ খণ্ডৰ নিলামৰ সপ্তম পৰ্যায় মুকলি কৰিব। এই পৰ্যায়ত খনন লিজ আৰু কম্প'জিত লাইচেন্সৰ অধীনত কেইবাখনো ৰাজ্যৰ ১৯টা খণ্ডৰ নিলাম কৰা হ'ব। ইয়াৰ ভিতৰত বিশুদ্ধ শক্তি, উন্নত প্ৰযুক্তি, সাৰ আৰু কৌশলগত উদ্যোগৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডসমূহ আছে। খনি মন্ত্ৰালয়ে জনোৱা মতে দুটা পৰ্যায়ত সম্পূৰ্ণ স্বচ্ছতাৰে অনলাইন ব্যৱস্থাৰে নিলাম সম্পন্ন কৰা হ'ব। বৰ্তমানলৈকে কয়লা আৰু খনি মন্ত্ৰালয়ে ৪৬ বিধ গুৰুত্বপূৰ্ণ আৰু কৌশলগত খনিজ খণ্ডৰ ৬টা পৰ্যায়ত নিলাম অনুষ্ঠিত কৰিছে।

০০০০০

ভাৰতীয় নিৰ্বাচন আয়োগে আজি পশ্চিমবংগত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণৰ অধীনত প্ৰথমখন পৰিপূৰক ভোটাৰ তালিকা প্ৰকাশ কৰিব বুলি ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া মনোজ কুমাৰ আগৰৱালে প্ৰকাশ কৰিছে। সম্পূৰ্ণৰূপে তথ্যপাতিৰ পৰীক্ষা সম্পন্ন হোৱা ভোটদাতাসকলৰ নাম এই তালিকাত প্ৰকাশ পাব। নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰা মতে ভোটাৰ তালিকাৰ পৰা নাম বাদ পৰা ২৭ লাখ ভোটাৰৰ তথ্যপাতিৰ পৰীক্ষণ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে।

০০০০০

স্পেইনৰ ভিটোৰিয়াত অনুষ্ঠিত স্পেনিছ পেৰা বেডমিণ্টন প্ৰতিযোগিতাৰ দ্বিতীয় পৰ্যায়ত ভাৰতৰ প্ৰমোদ ভগত আৰু সুকান্ত কদমে উল্লেখনীয় প্ৰদৰ্শন আগবঢ়াইছে। প্ৰতিযোগিতাত ভগতে দুটা সোণ আৰু এটা ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে কদমে এটা সোণ আৰু এটা ৰূপৰ পদকেৰে আন্তঃৰাষ্ট্ৰীয় পেৰা বেডমিণ্টনত ভাৰতৰ আধিপত্য প্ৰদৰ্শন কৰিছে। ভাৰতৰ আন এগৰাকী খেলুৱৈ নীতেশ কুমাৰে পুৰুষৰ ছিংগলছৰ এছ এল থ্ৰী ফাইনেলত ৰূপৰ পদক লাভ কৰে। মহিলাৰ ছিংগলছৰ এছ এল থ্ৰীত ভাৰতৰ নীৰজে ৰূপৰ পদক জয় কৰে।

০০০০০

চত্তীশগড়ত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ছৰগুজা অলিম্পিকৰ কালি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাইয়ে উদ্বোধন কৰে। তৃণমূল পৰ্যায়ৰ এথলীটসকলক সুযোগ প্ৰদান তথা সমগ্ৰ ৰাজ্যতে ক্ৰীড়া পৰিৱেশ সৃষ্টিৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। কাবাডী, ফুটবল, খোখো, বাস্কেটবল, মল্লযুঁজ, বেডমিণ্টন আৰু জেভলিন থ্ৰ'কে ধৰি মুঠ ১২ বিধ খেলত চাৰে ৩ লাখৰো অধিক খেলুৱৈয়ে অংশ লৈছে।

০০০০০

সমাপ্ত